**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং : ৪১৯**
**উত্তৰ দানৰ তাৰিখ : ২২/০৭/২০২৬**

বিষয় : মেম্বাৰ সকলৰ পাৰিতোষিক সম্পৰ্কে।

বিধায়ক : ড° জয় প্ৰকাশ দাস :

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জিলা পৰিষদৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সদস্য, গাওঁ পঞ্চায়তৰ সভাপতি, ৱাৰ্ড মেম্বাৰসকলৰ মাহিলি পাৰিতোষিক কিমান ? এই পাৰিতোষিক মাহে মাহে আদায় দিয়েনে ? যদি দিয়ে, মাহৰ কোন তাৰিখে DBT কৰে ?

(খ) এই পাৰিতোষিক আগন্তুক দিনত বৃদ্ধিৰ কিবা পৰিকল্পনা চৰকাৰৰ আছেনে ? সবিশেষ জনাব।

(গ) উক্ত বিভাগৰ ঠিকাভিত্তিক Gram Rozgar Sohayak, Gaon Panchayat co-ordinator, Accredited engineer, Account Assistant, Computer Assistant, Block Programme Manager, District Programme Manager কে ধৰি প্ৰায় ৮০০০ কৰ্মচাৰী আছে। এই কৰ্মচাৰীসকলৰ ৬০ বছৰ বয়সলৈ চাকৰি সুনিশ্চিত কৰাৰ কেবিনেটত সিদ্ধান্ত লোৱা হৈছিল, এই সিদ্ধান্ত কাৰ্য্যকৰী হ'লনে ? যদি হোৱা নাই, কেতিয়াৰ পৰা হ'ব ? জনাব।

(ঘ) উক্ত পদ সমূহত সেৱা আগবঢ়াই থকা ৪৫ বছৰতকৈ কম যি সকল কৰ্মচাৰীয়ে ১০ বছৰ কাৰ্য্যকাল অতিক্ৰম কৰিলে সেইসকলৰ প্ৰতি চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

## উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা দেৱে উত্তৰ দিব:

(ক) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি, উপ সভাপতি আৰু সদস্য সকলৰ পাৰিতোষিক তলত দিয়া ধৰণৰ –

| ক্ৰমিক | পঞ্চায়ত স্তৰ | নিৰ্বাচিত প্ৰতিনিধিৰ পদবী | মাহিলী পাৰিতোষিক |
|---|---|---|---|
| ১ | জিলা পৰিষদ | সভাপতি | ১০,০০০ টকা |
| ২ | | উপ সভাপতি | ৭,৫০০ টকা |
| ৩ | | সদস্য | ৪,০০০ টকা |
| ৪ | আঞ্চলিক পঞ্চায়ত | সভাপতি | ৭,৫০০ টকা |
| ৫ | | উপ সভাপতি | ৫,০০০ টকা |
| ৬ | | সদস্য | ৩,০০০ টকা |
| ৭ | গাঁও পঞ্চায়ত | সভাপতি | ৫,০০০ টকা |
| ৮ | | উপ সভাপতি | ৩,০০০ টকা |
| ৯ | | সদস্য | ২,০০০ টকা |

এই পাৰিতোষিক প্ৰত্যেক জিলা সমূহৰ পৰা সদস্য সকলৰ একাউনটলৈ নিয়মিয়াকৈ প্ৰেৰণ কৰা হয়। অৱশ্যে এই পাৰিতোষিক প্ৰদানৰ কোনো নিৰ্দ্ধাৰিত তাৰিখ নাই।

(খ) পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাহিলী পাৰিতোষিক ২০২০ চনত অসম পঞ্চায়ত (প্ৰশাসনিক) (সংশোধনী) বিধি, ২০০২ অনুসৰি বৃদ্ধি কৰা হৈছে। বৰ্তমান পাৰিতোষিক বঢ়োৱাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ থকা নাই যদিও এই ক্ষেত্ৰত প্ৰয়োজন অনুসৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(গ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তালয়ৰ অধীনত জিলা , উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্য্যায়ত কৰ্মৰত গ্ৰাম ৰোজগাৰ সহায়ক, গাঁও পঞ্চায়তসমন্বয়ক, Accredited Engineer, Account Assistant Computer Assistant, Block Programme Manager, District Program Manager, Addl./Asstt. District Programme Manager, Asstt. Programme Officer, RDMP আদি বিভিন্ন পদত জুন ২০২6 মাহৰ তথ্য অনুসৰি 7378 জন ঠিকাভিত্তিক কৰ্মচাৰী কৰ্মৰত হৈ আছে।

এই সকল কৰ্মচাৰীৰ ভিতৰত যি সকল কৰ্মচাৰীয়ে ১০ বছৰ নিৰৱছিন্ন ভাৱে সেৱা আগবঢ়াই আহিছে আৰু যি সকলৰ বয়স ১ জানুৱাৰী ২০২৬ চনত ৪৫ বছৰ সম্পূৰ্ণ হৈছে সেই কৰ্মচাৰী সকলক ৬০ বছৰ বয়সলৈ চাকৰি সুনিশ্চিত কৰাৰ কেবিনেট সিদ্ধান্ত লোৱা হৈছে।

এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি সকল কৰ্মচাৰীয়ে ১০ বছৰ নিৰৱছিন্ন ভাৱে সেৱা আগবঢ়াই আহিছে আৰু যি সকলৰ বয়স ১ জানুৱাৰী ২০২৬ চনত ৪৫ বছৰ সম্পূৰ্ণ হৈছে তেওঁ লোকৰ নথি প্ৰত্ৰ সমুহ পৰীক্ষা কৰি থকা থকা হৈছে আৰু অতি শীঘ্ৰেই অধিসুচনা প্ৰকাশ কৰা হ'ব।

(ঘ) উক্ত পদ সমূহত সেৱা আগবঢ়াই থকা ৪৫ বছৰতকৈ কম যি সকল কৰ্মচাৰীয়ে ১০ বছৰ কাৰ্য্যকাল অতিক্ৰম কৰিলে সেই সকলৰ চাকৰি সুনিশ্চিত কৰণৰ বিষয়ত চৰকাৰে বৰ্তমানলৈকে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই।

**(Replies have been uploaded in the website "www. cms.neva.gov.in")**